صفة العمرة)للوزارة(

ওমৰাৰ পদ্ধতি

ওমৰাৰ পদ্ধতি

আব্দুল আজীজ ইবনে আব্দুল্লাহ ইবনে বাজ
ইছলামিক পৰিক্ৰমা, দাওৱা আৰু নিৰ্দেশনা মন্ত্ৰালয়

ওমৰাৰ পদ্ধতি

মহামান্য শ্বাইখ
আব্দুল আজীজ বিন আব্দুল্লাহ বিন বাজ
(মহান আল্লাহে তেওঁৰ ওপৰত ৰহমত বৰ্ষণ কৰক)

সকলো ধৰণৰ প্ৰশংসা একমাত্ৰ আল্লাহৰ বাবে, দৰূদ আৰু ছালাম বৰ্ষিত হওক তেওঁৰ বান্দা আৰু ৰাছুলৰ ওপৰত। ইয়াৰ পিছতঃ

এইখন হৈছে ওমৰাৰ নীতি-নিয়ম সম্পৰ্কীয় এটি সংক্ষিপ্ত বিৱৰণ, পাঠকসকলৰ বাবে উপস্থাপন কৰা হ'লঃ

১. ওমৰাহ কৰিববৈলে ওলোৱা ব্যক্তিয়ে যেতিয়া মীক্বাতত আহি উপস্থিত হ'ব, তেতিয়া তেওঁৰ বাবে গোছল কৰা আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন হোৱাটো মুস্তাহাব। ঠিক সেইদৰে মহিলাসকলেও কৰিব, যদিও হায়েজ বা নিফাছ অৱস্থাত থাকে, কিন্তু নাৰীসকলে এই অৱস্থাৰ পৰা পৱিত্ৰ হৈ গোছল নকৰালৈকে বায়তুল্লাহৰ তাৱাফ কৰিব নোৱাৰিব।

পুৰুষে নিজৰ শৰীৰত সুগন্ধি ব্যৱহাৰ কৰিব, কিন্তু ইহৰামৰ কাপোৰত নহয়। যদি মীকাতত গোছল কৰা সম্ভৱ নহয় তেন্তে কোনো অসুবিধা নাই, এইদৰে যদি

সম্ভৱ হয় তেন্তে মক্কাত উপস্থিত হৈ তাৱাফৰ পূৰ্বে গোছল কৰাটোও মুস্তাহাব।

২. পুৰুষে সকলো ধৰণৰ চিলাই কৰা কাপোৰ খুলি এখন চিলাই বিহীন লুঙ্গী আৰু এখন চাদৰ পৰিধান কৰিব। মুস্তাহাব হৈছে, এই কাপোৰ দুখন যাতে বগা হয় আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন হয়।

আনহাতে মহিলাসকলে নিজৰ সাধাৰণ পোছাকতে ইহৰাম বান্ধিব, যিবোৰত কোনো ধৰণৰ সাজ-সজ্জা বা লৌকিকতা নাথাকে।

৩. ইয়াৰ পাছত মনে মনে ইবাদতৰ নিয়ত কৰিব আৰু মুখেৰে এই বুলি উচ্চাৰণ কৰিব: "লাব্বাইকা ওমৰাতান" অথবা "আল্লাহুম্মা লাব্বাইকা ওমৰাতান"। যদি কোনো ব্যক্তিয়ে এহৰাম পৰিধান কৰাৰ সময়ত এই আশংকা কৰে যে, বেমাৰ-আজাৰৰ কাৰণে নাইবা শত্ৰু আদিৰ ভয়ত তেওঁ হজ্জ বা ওমৰাহ পালনত বাধাগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে, তেন্তে তেওঁ এহৰাম পৰিধান কৰাৰ সময়ত চৰ্ত সাপেক্ষে এহৰাম পৰিধান কৰিব আৰু এইদৰে ক'ব:

«فَإِنْ حَبَسَنِي حَابِسٌ، فَمَحِلِّي حَيْثُ حَبَسْتَنِي».

"ফা ইন হাবাছানী হা-বিছ, ফামাহাল্লী হাইছু হাবাছতানী।"

অৰ্থঃ এতেকে যদি কোনো বাধাৰ দ্বাৰা মই বাধাগ্ৰস্ত হওঁ, তেন্তে য'ত মই বাধাগ্ৰস্ত হ'ম, সেইটোৱে হ'ব মোৰ

হালাল হোৱাৰ স্থান। জুবাআ বিন্তে ঝুবাইৰ ৰাদ্বিয়াল্লাহু আনহাৰ দ্বাৰা বৰ্ণিত হাদীছৰ দ্বাৰা এইটো প্ৰমাণিত।

তাৰ পাছত সেই তালবিয়া পাঠ কৰিব যিটো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে পাঠ কৰিছিল, সেইটো হৈছেঃ

«لَبَّيْكَ اللّٰهُمَّ لَبَّيْكَ، لَبَّيْكَ لا شَرِيكَ لَكَ لَبَّيْكَ، إِنَّ الْحَمْدَ وَالنِّعْمَةَ لَكَ وَالْمُلْكُ، لا شَرِيكَ لَكَ»

«লাব্বাইকা আল্লা-হুম্মা লাব্বাইক, লাব্বাইকা লা শ্বাৰীকা লাকা লাব্বাইক, ইন্নাল হামদা, অন্নি'মাতা, লাকা অলমুল্ক, লা শ্বাৰীকা লাক»

অৰ্থঃ মই উপস্থিত হৈছোঁ হে আল্লাহ! মই উপস্থিত হৈছোঁ। মই উপস্থিত হৈছোঁ, তোমাৰ কোনো অংশীদাৰ নাই, মই উপস্থিত হৈছোঁ। নিশ্চয় সকলো প্ৰশংসা, নিয়ামত আৰু সাৰ্বভৌমত্ব একমাত্ৰ তোমাৰেই। তোমাৰ কোনো অংশীদাৰ নাই। বাইতুল্লাহ অৰ্থাৎ "কা'বা"ত উপস্থিত নোহোৱালৈকে এই তালবিয়া বেছি বেছি পাঠ কৰিব, লগতে মহান আল্লাহক স্মৰণ কৰিব আৰু বেছি বেছি দুআ কৰিব।

৪. এতেকে যেতিয়া কাবা ঘৰৰ ওচৰ পাবগৈ, তেতিয়া তালবিয়া পাঠ বন্ধ কৰিব, তাৰ পিছত হাজৰে আছৱাদৰ উদ্দেশ্যে আগুৱাই যাব আৰু তাৰ ফালে মুখ কৰিব। ইয়াৰ পিছত যদি সম্ভৱ হয় তেন্তে হাজৰে আছৱাদক সোঁ হাতেৰে স্পৰ্শ কৰিব আৰু চুমা খাব, এই সময়চোৱাত ভিৰ কৰি মানুহক কষ্ট দিয়া উচিত নহয়।

স্পৰ্শ কৰাৰ সময়ত ক'ব: «بِسْمِ اللهِ وَاللهُ أَكْبَرُ» বিছমিল্লাহি আল্লাহু আকবাৰ। যদি চুমা খোৱা সম্ভৱ নহয় তেন্তে হাতেৰে নাইবা লাখুটি আদিৰে স্পৰ্শ কৰিব আৰু যি বস্তুৰে স্পৰ্শ কৰিব সেইটোক চুমা খাব। আনহাতে যদি স্পৰ্শ কৰাও সম্ভৱ নহয় তেন্তে তাৰ ফালে ইংগিত কৰিব আৰু «اللهُ أَكْبَرُ» আল্লাহু আকবাৰ বুলি ক'ব, কিন্তু এই অৱস্থাত যিটোৰ দ্বাৰা ইংগিত কৰিব সেইটোক চুমা খাব নালাগে।

তাৱাফ শুদ্ধ হ'বলৈ চৰ্ত হৈছে তাৱাফকাৰীয়ে সৰু আৰু ডাঙৰ সকলো প্ৰকাৰ নাপাকীৰ পৰা পৱিত্ৰ হ'ব লাগিব। কিয়নো তাৱাফ হৈছে নামাজৰ দৰেই এটা ইবাদত, কেৱল ইয়াত কথা কোৱাৰ অনুমতি দিয়া হৈছে।

৫- কাবা ঘৰক বাওঁফালে ৰাখি সাতবাৰ প্ৰদক্ষিণ কৰিব, আৰু যেতিয়া ৰুকনে য়ামানীৰ ওচৰত আহি উপস্থিত হ’ব, তেতিয়া যদি সম্ভৱ হয় সোঁ হাতেৰে স্পৰ্শ কৰিব আৰু "بِسْمِ اللهِ وَاللهُ أَكْبَرُ" বিছমিল্লাহি অল্লাহু আকবাৰ বুলি ক'ব, ইয়াক চুমা খোৱাৰ প্ৰয়োজন নাই। আনহাতে যদি স্পৰ্শ কৰা কঠিন হয় তেন্তে এৰি দি তাৱাফ অব্যাহত ৰাখিব, ইংগিত কৰাৰো প্ৰয়োজন নাই আৰু তাকবীৰ কোৱাৰো প্ৰয়োজন নাই; কাৰণ এইবোৰ কৰাৰ ক্ষেত্ৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা একো বৰ্ণিত হোৱা নাই।

আনহাতে হাজৰে আছৱাদৰ বিষয়টো সুকীয়া, যেতিয়াই আপুনি ইয়াৰ সমপৰ্যায় স্থানত আহি উপস্থিত হ'ব তেতিয়াই ইয়াক স্পৰ্শ কৰিব নাইবা চুমা খাব, যিদৰে

আমি পূৰ্বতে উল্লেখ কৰিছোঁ, অন্যথা তাৰ ফালে ইংগিত কৰিব আৰু আল্লাহু আকবাৰ বুলি ক'ব। তাৱাফুল কুদুমৰ প্ৰথম তিনিটা প্ৰদক্ষিণত বিশেষকৈ পুৰুষৰ বাবে ৰমল কৰা— অৰ্থাৎ চুটি খোজেৰে খৰকৈ আগবাঢ়ি যোৱা— মুস্তাহাব।

এইদৰে পুৰুষৰ বাবে তাৱাফে কুদূমৰ প্ৰতিটো প্ৰদক্ষিণতে ইজতিবা কৰা মুস্তাহাব। ইজতিবা হৈছেঃ চাদৰৰ মাজভাগ সোঁ হাতৰ কাষলতিৰ তলেৰে পাৰ কৰি উভয় প্ৰান্ত বাওঁ কান্ধৰ ওপৰত ৰখা।

প্ৰতিটো প্ৰদক্ষিণতে সহজসাধ্য জিকৰ-আজকাৰ পাঠ কৰা আৰু বেছি বেছি দুআ কৰা মুস্তাহাব।

তাৱাফৰ সময়ছোৱাত কোনো নিৰ্দিষ্ট দুআ বা নিৰ্দিষ্ট জিকৰ-আজকাৰ নাই। বৰং নিজৰ সাধ্যমতে জিকৰ-আজকাৰ পাঠ কৰিব লাগে আৰু দুআ কৰিব লাগে। লগতে দুয়ো ৰুকনৰ মাজত (অৰ্থাৎ ৰুকনে য়ামানীৰ পৰা হাজৰে আছৱাদৰ মাজত) এই দুআ পঢ়িব লাগে:

﴿...رَبَّنَآ ءَاتِنَا فِي ٱلدُّنۡيَا حَسَنَةٗ وَفِي ٱلۡأٓخِرَةِ حَسَنَةٗ وَقِنَا عَذَابَ ٱلنَّارِ﴾

"ৰাব্বানা আ-তিনা ফিদ্দুনিয়া হাছানাতাওঁ অফিল আ-খিৰাতি হাছানাতাওঁ অক্বিনা আজা-বান না-ৰ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাক পৃথিৱীত কল্যাণ প্ৰদান কৰা আৰু আখিৰাততো কল্যাণ প্ৰদান কৰিবা, আৰু আমাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা। প্ৰতিটো প্ৰদক্ষিণতে এইটো কৰিব; কাৰণ এইটো নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা প্ৰমাণিত।

আৰু পূৰ্বে উল্লেখ কৰা বিৱৰণ অনুসৰি, যদি সম্ভৱ হয় তেন্তে হাজৰে আছৱাদ স্পৰ্শ কৰি আৰু চুমা খাই, অথবা তাকবীৰ পাঠ কৰি ইয়াৰ ফালে ইংগিত কৰাৰ জৰিয়তে সপ্তম প্ৰদক্ষিণটো শেষ কৰিব। এই তাৱাফ শেষ হোৱাৰ পাছত তেওঁ ইহৰামৰ চাদৰখন কান্ধৰ ওপৰত ৰাখি শৰীৰত ওলোমাই ৰাখিব, লগতে চাদৰখনৰ মূৰ দুটা বুকুৰ ওপৰত ৰাখিব।

৬- ইয়াৰ পাছত যদি সম্ভৱ হয় মাক্বামে ইব্ৰাহীমৰ পিছফালে দুই ৰাকাত নামাজ পঢ়িব। যদি সেয়া সম্ভৱ নহয় তেন্তে মছজিদৰ যিকোনো স্থানতে আদায় কৰিব পাৰিব। ছুৰা ফাতিহাৰ পিছত,

﴿قُلۡ يَٰٓأَيُّهَا ٱلۡكَٰفِرُونَ﴾

ক্বুল য়া আইয়্যুহাল কা-ফিৰূন। প্ৰথম ৰাকাতত, আৰু

﴿قُلۡ هُوَ ٱللَّهُ أَحَدٌ﴾

ক্বুল হুৱাল্লা-হু আহাদ। দ্বিতীয় ৰাকাতত পাঠ কৰিব, এইটোৱেই উত্তম। আনহাতে যদি এই দুটাৰ বাহিৰে বেলেগ কোনো ছুৰা পাঠ কৰে তথাপিও কোনো অসুবিধা নাই। এই দুই ৰাকাত আদায় কৰি ছালাম ফিৰোৱাৰ পাছত হাজৰে আছৱাদৰ ফালে আগুৱাই যাব, আৰু যদি সম্ভৱ হয় তেন্তে সোঁ হাতেৰে স্পৰ্শ কৰিব।

৭- ইয়াৰ পিছত চাফালৈ গৈ তাৰ ওপৰলৈ উঠিব নাইবা চাফাৰ ওচৰত থিয় হ'ব। যদি সম্ভৱ হয় তেন্তে

ইয়াৰ ওপৰলৈ উঠাটোৱেই উত্তম, আৰু মহান আল্লাহৰ এই বাণী পাঠ কৰিবঃ

﴿إِنَّ ٱلصَّفَا وَٱلۡمَرۡوَةَ مِن شَعَآئِرِ ٱللَّهِۖ... ﴾

"ইন্নাচ চাফা অল মাৰৱাতা মিন শ্বাআয়িৰিল্লাহ।"

অৰ্থঃ নিশ্চয় চাফা আৰু মাৰৱা হৈছে আল্লাহৰ নিদৰ্শনসমূহৰ অন্তৰ্ভুক্ত...। [ছুৰা আল-বাক্বাৰাহঃ ১৫৮]

এই সময়ছোৱাত কিবলামুখী হোৱাটো মুস্তাহাব, লগতে আলহাম্‌দুলিল্লাহ আৰু আল্লাহু আকবাৰ কৈ এইদৰে ক'বঃ

"لَا إِلٰهَ إِلَّا اللَّهُ، واللَّهُ أَكْبَرُ، لَا إِلٰهَ إِلَّا اللَّهُ وَحْدَهُ لَا شَرِيكَ لَهُ، لَهُ الْمُلْكُ وَلَهُ الْحَمْدُ وَهُوَ عَلَىٰ كُلِّ شَيْءٍ قَدِيرٌ، لَا إِلٰهَ إِلَّا اللَّهُ وَحْدَهُ أَنْجَزَ وَعْدَهُ، وَنَصَرَ عَبْدَهُ، وَهَزَمَ الْأَحْزَابَ وَحْدَهُ"

"লা ইলা-হা ইল্লাল্লা-হ, আল্লাহু আকবাৰ, লা ইলা-হা ইল্লাল্লা-হু অহদাহু লা শ্বাৰীকা লাহ, লাহুল মুল্‌কু অলাহুল হাম্‌দু, অহুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ, লা ইলা-হা ইল্লাল্লা-হু অহদাহু, আনজাঝা অ'দাহ, অনাচাৰা আব্দাহ, অহাঝামাল আহঝা-বা অহদাহ।"

অৰ্থঃ (আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, আৰু আল্লাহেই মহান। আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। ৰাজত্ব তেওঁৰেই আৰু প্ৰশংসাও কেৱল তেওঁৰেই। তেওঁ সকলো ক্ষেত্ৰতে ক্ষমতাৱান। আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, যিয়ে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিছে, আৰু তেওঁৰ বান্দাক সহায় কৰিছে, আৰু

শত্ৰুদলক অকলেই পৰাস্ত কৰিছে।) ইয়াৰ পিছত দুয়ো হাত উত্তোলন কৰি যিমান পাৰি দুআ কৰিব। লগতে উক্ত দুআটো তিনিবাৰ পাঠ কৰিব। ইয়াৰ পিছত নামি আহি মাৰৱাৰ পিনে খোজকাঢ়ি যাব। প্ৰথম সংকেতত আহি পুৰুষে দ্বিতীয় সংকেত পোৱালৈকে দ্ৰুতগতিত খোজকাঢ়িব।

আনহাতে মহিলাসকলৰ বাবে খৰকৈ দৌৰাটো চৰীয়তসন্মত নহয়, কাৰণ তেওঁলোক হৈছে আৱৰণীয়। ইয়াৰ পিছত খোজকাঢ়ি গৈ মাৰৱাৰ ওপৰলৈ উঠিব অথবা তাৰ ওচৰত থিয় হ'ব। যদি সম্ভৱ হয় তেন্তে ইয়াৰ ওপৰলৈ উঠাটোৱেই উত্তম। মাৰৱাত উপস্থিত হৈ চাফাৰ দৰেই সেইবোৰ ক'ব আৰু কৰিব। ইয়াৰ পিছত নামি আহি, খোজকাঢ়িবলগীয়া স্থানত খোজকাঢ়ি যাব আৰু দৌৰিবলগীয়া স্থানত দৌৰি যাব, আৰু চাফাত আহি উপস্থিত হ'ব। এইদৰে সাতবাৰ কৰিব, যোৱাটো এটা ছায়ী আৰু ঘূৰি অহাটো হৈছে আন এটা ছায়ী। আৰু যদি বাহনত উঠি ছায়ী কৰে তথাপিও কোনো অসুবিধা নাই, বিশেষকৈ প্ৰয়োজনৰ সময়ত। লগতে ছায়ী কৰাৰ সময়ছোৱাত সাধ্যমতে জিকৰ-আজকাৰ পাঠ কৰা আৰু বেছি বেছি দুআ কৰা, আৰু সৰু তথা ডাঙৰ নাপাকীৰ পৰা পৱিত্ৰ অৱস্থাত থকাটো মুস্তাহাব।

পৱিত্ৰতা অবিহনে ছায়ী কৰিলেও সেয়া আদায় হৈ যাব। ছায়ী সম্পন্ন কৰাৰ পিছত পুৰুষসকলে মূৰ খুৰাব নাইবা চুলি চুটি কৰি ল'ব, আৰু মূৰ খুৰাই লোৱাটোৱে উত্তম।

আৰু যদি মক্কাত তেওঁৰ আগমন হজ্জৰ সময়ৰ নিকটৱৰ্তী হয়, তেন্তে তেওঁৰ বাবে চুলি চুটি কৰাই লোৱাটোৱে হৈছে উত্তম; যাতে তেওঁ হজ্জৰ সময়ত অৱশিষ্ট চুলি খুৰাই মুণ্ডন কৰিব পাৰে। আনহাতে নাৰীসকলে নিজৰ চুলিখিনি একত্ৰিত কৰি তাৰ পৰা আঙুলিৰ এটা গাঁঠিৰ সমান বা তাতকৈও কম অংশ কাটি ল'ব। এতেকে মুহৰিমে যদি এই উল্লেখিত কাৰ্যসমূহ সম্পন্ন কৰে, তেন্তে তেওঁৰ ওমৰাহ সম্পূৰ্ণ হৈ যাব, আলহাম্‌দুলিল্লাহ। এইখিনি কৰাৰ পাছত ইহৰামৰ কাৰণে তেওঁৰ বাবে যিবোৰ বিষয় নিষিদ্ধ আছিল, সেই সকলোবোৰ তেওঁৰ বাবে বৈধ হৈ পৰিব।

মহান আল্লাহে আমাক আৰু আমাৰ সকলো মুছলিম ভাতৃকে দ্বীনৰ সঠিক জ্ঞান দান কৰক আৰু ইয়াৰ ওপৰত অটল ৰাখক, লগতে সকলোৰে নেক আমল কবুল কৰক। নিশ্চয় তেওঁ পৱিত্ৰ মহান, অত্যন্ত দাতা, মহা দয়ালু।

দৰূদ আৰু ছালাম বৰ্ষিত হওক তেওঁৰ বান্দা আৰু ৰাছুল, আমাৰ প্ৰিয় নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত, তেওঁৰ পৰিয়ালবৰ্গ আৰু চাহাবাসকলৰ ওপৰত, লগতে সেইসকল লোকৰ ওপৰতো যিসকলে কিয়ামত পৰ্যন্ত তেওঁলোকক এহছানৰ সৈতে অনুসৰণ কৰিব।

সূচীপত্ৰ

ওমৰাৰ পদ্ধতি 2
ওমৰাৰ পদ্ধতি 2

as494v1.0 - 06/09/2026